**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। প্ৰয়াগৰাজৰ মহাকুম্ভ মেলাত পদপিষ্ট হৈ কমেও ৩০ জন ভক্তৰ মৃত্যু। নিহতসকলৰ ভিতৰত হাইলাকান্দিৰ নীতিৰঞ্জন পালো আছে।

২। বজালী জিলাৰ পাঠশালাত কাইলৈৰ পৰা অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশন।

৩। মহাত্মা গান্ধীৰ মৃত্যু বাৰ্ষিকী আৰু ছহিদ দিৱসত জাতিৰ পিতা গৰাকীলৈ সমগ্ৰ ৰাষ্ট্ৰৰ শ্ৰদ্ধাৰ্ঘ্য।

৪। ৰাজ্যিক নিৰ্বাচন আয়োগৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে অধিসূচনা। ***আৰু***

৫। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি ফুটবল, স্কোৱাছ, উশু, শুটিং, ট্ৰাইথলন, বীচ্চ হেণ্ডবল, চাইক্লিং আৰু ভাৰোত্তোলনত অসমৰ প্ৰতিদ্বন্দ্বিতা।

০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত পদপিষ্ট হৈ কালি অসমৰ হাইলাকান্দিৰ ব্যৱসায়ী নীতিৰঞ্জন পাল সহ কমেও ৩০ ভক্তই প্ৰাণ হেৰুৱায়। প্ৰয়াগৰাজৰ আৰক্ষীয়ে মহাকুম্ভ মেলাৰ মৌনী অমাৱস্যাৰ নিশা গংগাৰ ত্ৰিবেণী সংগমস্থলীত পূণ্যস্নান কৰিবলৈ গৈ পদপিষ্ট আহত নীতি ৰঞ্জন পালক চিকিৎসালয়লৈ লৈ যায় যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰে। ৬৪ বছৰীয়া নীতি ৰঞ্জন পাল তেওঁ পত্নীৰ সৈতে প্ৰয়াগৰাজলৈ গৈছিল। অসম চৰকাৰে পালৰ পৰিয়াললৈ সমবেদনা জনাইছে আৰু ৫ লাখ টকাৰ আৰ্থিক ক্ষতিপূৰণ দিয়াৰো আশ্বাস দিছে। ইপিনে মৃত নীতি ৰঞ্জন পালৰ প্ৰয়াগৰাজতে অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন হ'ব বুলি পৰিয়ালৰ লোকে জানিবলৈ দিছে।

মহাকুম্ভ মেলাত সংঘটিত এই শোকাবহ দুৰ্ঘটনাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁ প্ৰাণ হেৰুওৱা দুৰ্ভগীয়া পৰিয়ালসমূহলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। এই ঘটনা সন্দৰ্ভত তেওঁ উত্তৰ প্ৰদেশ চৰকাৰৰ লগত অহৰহ যোগাযোগ ৰাখিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে উল্লেখ কৰে।

০০০০০০

বজালী জিলাৰ পাঠশালাত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত হ'ব। অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই কালি অধিৱেশনৰ বিতং কাৰ্যসূচী ঘোষণা কৰে। কাইলৈ পুৱা চাৰে ৮ বজাত নামঘৰৰ দ্বাৰ উদ্ঘাটনেৰে সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ দেৱ অধিকাৰীয়ে নামঘৰৰ দ্বাৰ মুকলি কৰিব আৰু নাজিৰাৰ সমাজকৰ্মী যতীন লাহনে বন্তি প্ৰজ্বলন কৰিব। পুৱা ৯ বজাত পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰিব। সাহিত্য সভাৰ অধিৱেশন সন্দৰ্ভত আমাৰ সংবাদদাতা দামোদৰ তালুকদাৰে এইদৰে কয় – **ৰাইট**

সাহিত্য সভাৰ অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকি ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। এই ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে শিল্পীসকল অহৰহ ব্যস্ত হৈ আছে। সাহিত্য সভাৰ অধিৱেশন এইবেলি প্ৰথমবাৰলৈ বাটৰ কবিতাৰ আয়োজন কৰা হৈছে। একেদৰে এইবাৰৰ অধিৱেশনত বাণিজ্য মেলাৰ পৰিৱৰ্তে বিজ্ঞান মেলাৰ দিহা কৰা হৈছে। বজালীৰ উৎপাদিত সামগ্ৰী খাদ্য সম্ভাৰেৰে বজালী হাটৰো ব্যৱস্থা কৰা হৈছে। অধিৱেশনথলীত ৭৭ বৰ্গ ফুটৰ বৃহৎ জাপি সাজি উলিওৱা হৈছে। অধিৱেশনৰ লগত সংগতি ৰাখি আজি পাটাছাৰকুছিৰ নিৰ্মল হালৈ মহাবিদ্যালয় আৰু কেইবাগৰাকী ব্যৱসায়ীয়ে মন্ত্ৰী ৰণজিৎ কুমাৰ দাসক আৰ্থিক বৰঙণিৰ চেক প্ৰদান কৰে।

০০০০০০

সমগ্ৰ ৰাষ্ট্ৰই মহাত্মা গান্ধীৰ ৭৭ সংখ্যক মৃত্যু বাৰ্ষিকী আৰু ছহিদ দিৱসত আজি জাতিৰ পিতা গৰাকীলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। মৃত্যু বাৰ্ষিকী উপলক্ষে পুৱাৰ ভাগত নতুন দিল্লীৰ ৰাজঘাটত থকা মহাত্মা গান্ধীৰ সমাধিত এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰই প্ৰতিবছৰে ৩০ জানুৱাৰীত মহাত্মা গান্ধীৰ জীৱন আৰু ঐতিহ্যৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে। মহাত্মা গান্ধী স্বাধীনতা আন্দোলনৰ বাবে ভাৰতীয় সংগ্ৰামৰ প্ৰেৰণাৰ মূল উৎস আছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মৃত্যু বাৰ্ষিকী উপলক্ষে মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই মহাত্মা গান্ধীলৈ শ্ৰদ্ধা নিবেদন কৰি দিয়া এটা বাৰ্তাত কয়, যে তেওঁৰ আদৰ্শৰাজিয়ে আমাক সকলোৰে বাবে উন্নয়ন সুনিশ্চিত কৰাৰ প্ৰচেষ্টাত সদায় পথ দেখুৱাই যাব।

০০০০০০

সৰ্বভাৰতীয় পৰ্যায়তকৈ অসমৰ গ্ৰামাঞ্চলৰ বিদ্যালয়ত শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি পাইছে। নতুন দিল্লীৰ ফাষ্ট এডুকেচন ফাউণ্ডেচন নামৰ এটা সংস্থাই প্ৰকাশ কৰা প্ৰতিবেদনত এই তথ্য প্ৰকাশ হৈছে। এই প্ৰতিবেদন প্ৰকাশ হোৱাৰ পাছতে শিক্ষামন্ত্ৰী ডঃ ৰণোজ পেগুৱে কালি সামাজিক মাধ্যমৰ এটা বাৰ্তাত সন্তুষ্টি প্ৰকাশ কৰি কয়, যে প্ৰাক-বিদ্যালয়ত শিক্ষাৰ্থীৰ নামভৰ্তি ৯০ শতাংশৰ ওচৰ চাপিছে। ৬ৰ পৰা ১৪ বছৰ বয়সৰ শিক্ষাৰ্থীৰ ৯৯ শতাংশই বিদ্যালয়ত নামভৰ্তি কৰিছে। চৰকাৰী বিদ্যালয়সমূহত উচ্চ শিক্ষাৰ প্ৰতি শিক্ষাৰ্থী আগ্ৰহী হোৱা দেখা গৈছে। বিদ্যালয়সমূহত দিয়া সুবিধা আৰু বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা অভিযান কাৰ্যসূচীৰ সুফল পোৱা গৈছে বুলি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে উল্লেখ কৰে।

ফাষ্ট এডুকেচন ফাউণ্ডেচন নামৰ সংস্থাটোৱে প্ৰকাশ কৰা বাৰ্ষিক প্ৰতিবেদন অনুসৰি ২০২৪ চনত সৰ্বভাৰতীয় পৰ্যায়তকৈ প্ৰাক-বিদ্যালয়ত ৩ৰ পৰা ৪ বছৰ বয়সৰ ভিতৰত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অসমত অধিক হৈছে। সেই অনুসৰি প্ৰাক-বিদ্যালয়ত নামভৰ্তি কৰা ৩ বছৰীয়া শিক্ষাৰ্থী সৰ্বভাৰতীয় পৰ্যায়ত ৬৬ দশমিক ৮ শতাংশ। অসমত এই হাৰ ৮১ দশমিক ১ শতাংশ। ৪ বছৰ বয়সৰ শিক্ষাৰ্থীৰ বিদ্যালয়ত নামভৰ্তি সৰ্বভাৰতীয় পৰ্যায়ত ৫৭ শতাংশ যদিও অসমত ৬৮ শতাংশ হৈছে। গ্ৰামাঞ্চলৰ বিদ্যালয়সমূহত প্ৰাথমিক সা-সুবিধা বৃদ্ধি হোৱাৰ তথ্যও ফাউণ্ডেচনে প্ৰকাশ কৰিছে। মধ্যাহ্ন ভোজন, খোৱাপানীৰ যোগান, বিদ্যুৎ যোগান, খেলপথাৰৰ সুবিধা, গ্ৰন্থাগাৰৰ সুবিধা অধিক বৃদ্ধি হোৱা বুলি ফাষ্ট এডুকেচন ফাউণ্ডেচনে

প্ৰকাশ কৰিছে। সংস্থাটোৱে অসমৰ ২৬ খন জিলাৰ ৭৮০ খন গাঁৱৰ ১৫ হাজাৰ ৪০৬টা পৰিয়ালৰ অধ্যয়ন চলাই এই প্ৰতিবেদন প্ৰস্তুত কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নেহৰু পাৰ্কত দিল্লীত বাস কৰা প্ৰবাসী অসমীয়াসকলৰ সৈতে আজি **ভোগালীৰ এক জীপাল সন্ধিয়া** শীৰ্ষক অন্তৰংগ আলাপ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই কালি অনুষ্ঠানস্থলী পৰিদৰ্শন কৰি এই অনুষ্ঠানৰ প্ৰস্তুতিৰ বুজ লয়। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা ৰাজ্য মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই পৰিদৰ্শনকালত শ্ৰীমল্লক সংগ দিয়ে।

০০০০০০

প্ৰাচ্যতত্ত্ববিদ বিশিষ্ট সাহিত্যিক, অধ্যাপক থানেশ্বৰ শৰ্মা আৰু মহেশ্বৰ হাজৰিকালৈ আজি অসম সাহিত্য সভাৰ সদস্য মহীয়ান সন্মান আগবঢ়োৱা হ'ব। একেদৰে গৱেষক, সাহিত্যিক, অধ্যাপক আনন্দ বৰমুদৈ, বিশিষ্ট সাহিত্যিক, অধ্যাপক ইদ্ৰিছ আলী, বিশিষ্ট ভাষাবিদ, অধ্যাপক ভীমকান্ত বৰুৱা আৰু গৱেষক সাহিত্যিক, অধ্যাপক কৰবী ডেকা হাজৰিকাক সাহিত্যচাৰ্য সন্মানেৰে বিভূষিত কৰা হ'ব। বিশিষ্ট কবি সাহিত্যিক আনিছ উজ জামানক জাতীয় কবি উপাধি প্ৰদান কৰা হ'ব। সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাৰ সভাপতিত্বত আজি দিনৰ চাৰে ১১ বজাত অসম সাহিত্য সভাৰ গুৱাহাটী কাৰ্যালয়ৰ লক্ষীৰাম বৰুৱা সদনত আয়োজিত এই বছৰৰ সমাৱৰ্তন অনুষ্ঠানত এই সন্মানসমূহ প্ৰদান কৰা হ'ব।  অনুষ্ঠানত সাহিত্যিক হৰেকৃষ্ণ ডেকা মুখ্য অতিথি ৰূপে আৰু কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাচাৰ্য অধ্যাপক দীপক কুমাৰ শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব।

অসম সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে সদস্য মহীয়ান, সাহিত্যাচাৰ্য আৰু জাতীয় কবি সন্মানেৰে বিভূষিত বিশিষ্ট সাহিত্যিক, ভাষাবিদ আৰু গেৱষক কেইগৰাকীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী দাসে সামাজিক মাধ্যমযোগে কৈছে যে এই ব্যক্তিকেইগৰাকীয়ে জাতিৰ দাপোনস্বৰূপ অসমীয়া ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰত উল্লেখযোগ্য বৰঙণি আগবঢ়াইছে। তেওঁলোকে অনাগত দিনতো ভাষাৰ শুদ্ধ ব্যৱহাৰ আৰু প্ৰয়োগৰ ক্ষেত্ৰত অৰিহণা যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে।

০০০০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত শেহতীয়াকৈ এবিধ বিৰল প্ৰজাতিৰ পক্ষীৰ উপস্থিতি প্ৰত্যক্ষ কৰা হৈছে। কাজিৰঙাৰ পাণবাৰী সংৰক্ষিত বনাঞ্চলৰ সমীপৰ পল্লৱ প্ৰকাশ শইকীয়া আৰু হেমন্ত গগৈ নামৰ দুজন যুৱ পৰ্যটক গাইডে এবিধ ব্লু এণ্ড হোৱাইট ফ্লাইকেচাৰ প্ৰত্যক্ষ কৰে। এই চৰাইবিধে এছিয়া অৰ্থাৎ জাপান, কোৰিয়া, চীনৰ কিছু অংশ আৰু ৰাছিয়াত প্ৰজনন কৰে আৰু শীতকালত দক্ষিণ পূব এছিয়াত কটায়। ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কাজিৰঙাৰ এই বিৰল ব্লু এণ্ড হোৱাইট ফ্লাইকেচাৰক দেখা পোৱাৰ বাবে সামাজিক মাধ্যমত উৎসাহ প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সন্দৰ্ভত মত প্ৰকাশ কৰি কয়, যে পক্ষী দৰ্শকৰ বাবে এয়া ৰোমাঞ্চকৰ খবৰ। এই পক্ষীৰ পৰম্পৰাগত প্ৰব্ৰজন পথৰ বাহিৰত দেখা পোৱাটো আশ্চৰ্যকৰ কথা। সেয়েহে বিগত ১০ বছৰৰ পাছত পাণবাৰী বাৰ্ডিং চাফাৰী পুনৰ মুকলি কৰাৰ সিদ্ধান্ত লোৱা হৈছে আৰু সকলো পৰ্যটকক কাজিৰঙালৈ গৈ দৰ্শন কৰিবলৈ মুখ্যমন্ত্ৰীগৰাকীয়ে আহ্বান জনাইছে। কাজিৰঙাৰ ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই বিশ্ব জলাশয় দিৱস উপলক্ষে অহা ২ ফেব্ৰুৱাৰীত পাণবাৰী বাৰ্ডিং চাফাৰী পুনৰ মুকলি কৰিব। উদ্যান কৰ্তৃপক্ষই এটা প্ৰেছবাৰ্তাযোগে জানিবলৈ দিয়া মতে যদি এই পক্ষী দৰ্শন কাৰ্যসূচী সফল হয়, তেন্তে

চাফাৰীয়ে পক্ষী দৰ্শকৰ পৰ্যটনক প্ৰসাৰিত কৰিব আৰু বন্যপ্ৰাণী সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে সজাগতা বৃদ্ধি কৰাত সহায় কৰিব।

০০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰিছে। সেই অনুসৰি ৭ ফেব্ৰুৱাৰীত নিৰ্বাচনৰ বাবে খচৰা ভোটাৰ তালিকা প্ৰকাশ কৰা হ'ব। ২১ ফেব্ৰুৱাৰীৰ ভিতৰত খচৰা ভোটাৰ তালিকা সন্দৰ্ভত আপত্তি দাখিল কৰিব পৰা যাব। ২৮ ফেব্ৰুৱাৰীত ওজৰ-আপত্তি নিষ্পত্তিৰ সময়সীমা ধাৰ্য কৰা হৈছে। পৰিষদৰ নিৰ্বাচনৰ বাবে চূড়ান্ত ভোটাৰ তালিকা ২ মাৰ্চত প্ৰকাশ কৰা হ'ব। নিৰ্বাচন আয়োগে প্ৰকাশ কৰা মতে যোৱা ২ জানুৱাৰীত প্ৰকাশ কৰা বিধানসভা সমষ্টিভিত্তিক ভোটাৰ তালিকা অনুযায়ী পৰিষদৰ নিৰ্বাচনৰ ভোটাৰ তালিকা প্ৰস্তুত কৰা হ'ব।

০০০০০০

নিউজ ৰিভিউ

০০০০০০

জৈৱ চিকিৎসা অভিযান্ত্ৰিক ব্যৱস্থাপনাক আগুৱাই লৈ যোৱাৰ লগতে চিকিৎসা সঁজুলি খণ্ডৰ প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰাৰ লক্ষ্যৰে আই আই টি গুৱাহাটী আৰু মীৰাক্লাছ অৰ্থটেকৰ মাজৰ কালি এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। অনুষ্ঠানত উপস্থিত থাকি আই আই টি গুৱাহাটীৰ সঞ্চালক দেবেন্দ্ৰ জলিহালে কয়, যে আই আই টি গুৱাহাটীয়ে সমাজ তথা দেশৰ প্ৰযুক্তিগত উন্নয়নৰ বাবে সদায় কাম কৰি আহিছে।

০০০০০০

অসমে আজি উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াত আজি ফুটবল, স্কোৱাছ, উশু, শুটিং, ট্ৰাইথলন, বীচ্চ হেণ্ডবল, চাইক্লিং আৰু ভাৰোত্তোলন শিতানত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ৰাজ্যৰ ছোৱালীৰ বীচ্চ হেণ্ডবল দল আজি ছেমি ফাইনেলত কেৰালাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন পুৱা প্ৰায় ১০ বজাত আৰম্ভ হ'ব। স্কোৱাছত মনশ্ৰী ৰাজস্থানৰ ছাৰিৰ সন্মুখীন হ'ব। এই শিতানৰ মহিলাৰ দলীয় শাখাত অসম, তামিলনাডুৰ আৰু পুৰুষৰ দলীয় শাখাত অসম উত্তৰ প্ৰদেশৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰোত্তোলনত আজি পঞ্চমী সোণোৱাল আৰু বৰ্ণালী বৰাই প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। একেদৰে ট্ৰাইথলনত তুষাৰ ডেকা, নুপুৰ ডেকা আৰু দেৱীকা শৰ্মাই প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে যোৱানিশা গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক্‌ছ ষ্টেডিয়ামত অনুষ্ঠিত ISL ফুটবল প্ৰতিযোগিতাৰ এখন খেলত হায়দৰাবাদ ফুটবল ক্লাবক ৪-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। নৰ্থ-ইষ্টৰ হৈ গুইলেৰ্মো ফাৰ্নাণ্ডেজে খেলখনৰ প্ৰথমাৰ্ধৰ ১৭ মিনিটত প্ৰথমটো গ'ল দিয়ে। ইয়াৰ পাছত ৪৫ মিনিটত আজাৰায়ে দ্বিতীয়টো গ'ল দিয়ে। দ্বিতীয়াৰ্ধত হায়দৰাবাদে খেলুৱৈ সলনি কৰি আক্ৰমণাত্মক খেলেৰে সমতা স্থাপনৰ প্ৰচেষ্টাত ব্ৰতী হয়। দলটোৰ হৈ ৭০ মিনিটত মনোজ মহম্মদে একমাত্ৰ গ'লটো দিয়ে। ইয়াৰ পাছতে নৰ্থ-ইষ্ট ইউনাইটেডে পুনৰ আক্ৰমণাত্মক ৰণনীতিৰে দুটাকৈ গ'ল দিয়ে। দলটোৰ হৈ আচিৰ আখটাৰে ৭৯ মিনিটত আৰু মহম্মদ আলী বেমামাৰে ক্ৰমে তৃতীয় আৰু চতুৰ্থটো গ'ল দিয়ে। নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে এই জয়ৰ সুবাদত ১৮ খন খেলৰ পৰা ২৮ পইণ্ট অৰ্জন কৰি প্ৰতিযোগিতাৰ পইণ্ট

তালিকাৰ চতুৰ্থ স্থানলৈ উন্নীত হৈছে। নৰ্থ-ইষ্ট ইউনাইটেডে অহা ৩ ফেব্ৰুৱাৰীত ভূৱনেশ্বৰত হ'বলগীয়া লীগ পৰ্যায়ৰ পৰৱৰ্তী খেলত ওড়িশা ফুটবল ক্লাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক বাৰ্ষিক অধিৱেশনখন অহা ৬ৰ পৰা ৯ ফেব্ৰুৱাৰীলৈ যোৰহাটৰ ম'হবন্ধা এৰালতলী পথাৰত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত আয়োজন কৰা হৈছে। এৰালতলী পথাৰত প্ৰায় ১২ হাজাৰ বিঘা ভূমি আৱৰি নিৰ্মাণ কৰা অধিৱেশনস্থলীত আদৰণি সমিতিয়ে অধিৱেশনৰ প্ৰস্তুতি চলাইছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত আজি পুৱাৰ ভাগত কুঁৱলী পৰাৰ আৰু পাছৰ ভাগলৈ বতৰ ডাৱৰীয়া হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৪ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

আনহাতে ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অৰুণাচল প্ৰদেশকে ধৰি অসম, মেঘালয় আৰু নাগালেণ্ডত কম বেছি পৰিমাণে বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত বতৰ শুকান হৈ থকাৰ আগলি বতৰা দিয়া হৈছে।

০০০০০০

সমাপ্ত